# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 07-05-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*

- - - - - - - - - - - - - - -

সম্ভাব্য যুদ্ধকালীন পৰিস্থিতি সন্দৰ্ভত জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ বাবে আজি দেশৰ বিভিন্ন স্থানত সতৰ্কতামূলক অনুশীলন চলোৱা হৈছে। কেন্দ্ৰীয় গৃহমন্ত্ৰালয়ৰ নিৰ্দেশ অনুসৰি দেশৰ ২৫৯টা স্থানত সতৰ্কতামূলক অনুশীলন চলোৱা হৈছে। ইয়াৰ ভিতৰত ৰাজধানী দিছপুৰ, গুৱাহাটীৰ বাকী অংশ, বঙাইগাঁও, ডিব্ৰুগড়, ধুবুৰী, তেজপুৰ, লখিমপুৰ, গোৱালপাৰা, যোৰহাট, শিৱসাগৰ, তিনিচুকীয়া, ডিগবৈ, নাহৰকটীয়া, দুলীয়াজান, নাজিৰা, টিংখং, নামৰূপ, ৰঙিয়া, উত্তৰ লখিমপুৰ, বোকাখাট, নুমলীগড়, দৰং, গোলাঘাট, কাৰ্বি আংলং আৰু কোকৰাঝাৰকে ধৰি ৰাজ্যৰ ২০টা স্থান আছে।

গুৱাহাটী মহানগৰৰ কাহিলীপাৰাত দশম আৰক্ষী বেটেলিয়ন চৌহদত আজি বিয়লি সতৰ্কতামূলক অনুশীলন সম্পন্ন হয়। ইয়াৰ জৰিয়তে যুদ্ধকালীন পৰিস্থিতিত আকাশমাৰ্গেৰে হ'ব পৰা আক্ৰমণৰ সময়ত ল'বলগীয়া সতৰ্কতা আৰু উদ্ধাৰ অভিযান কৰা হয়। অনুশীলনত প্ৰতীকী বোমা বিস্ফোৰণৰ লগে লগে চাইৰেণ বাজি উঠে আৰু ইয়াৰ কিছু সময়ৰ পাছতে অগ্নি নিৰ্বাপক বাহিনীয়ে জুই নুমুৱাবলৈ আৰম্ভ কৰে। একে সময়তে ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনীয়ে উদ্ধাৰ অভিযান ৰূপায়ণ কৰে।

শিৱসাগৰ জিলাৰ দৌলমুখ চাৰিআলিৰ লগতে আন দুটা স্থানত আজি এই সতৰ্কতামূলক অনুশীলন চলোৱা হয়। এই অনুশীলনৰ জৰিয়তে জৰুৰীকালীন অৱস্থাত ৰাইজ কিদৰে সুৰক্ষিত হৈ থাকিব পাৰে সেই বিষয়ে প্ৰদৰ্শন কৰা হয়। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ নিৰ্দেশনা অনুসৰি আজি গোলাঘাট জিলা প্ৰশাসন আৰু অসামৰিক প্ৰতিৰক্ষা বিভাগৰ দ্বাৰা আজি জিলাখনৰ বি এছ এন এলৰ কাৰ্যালয়ৰ প্ৰাঙ্গণ আৰু নুমলীগড় শোধনাগাৰ লিমিটেড প্ৰাঙ্গনত সতৰ্কতামূলক অনুশীলন চলোৱা হয়। সন্ধিয়া ৭ বাজি ১০ মিনিটলৈ জিলাখনত ব্লেক আউট বা নিষ্প্ৰদীপ অনুশীলন চলোৱা হ'ব। এই সময়ছোৱাত জনসাধাৰণক বাসগৃহ বা অন্য স্থানত লাইট বন্ধ কৰি ৰখাৰ লগতে খিৰিকি বন্ধ কৰি পৰ্দা আঁৰি সজাগ হৈ থাকিবলৈ আহ্বান জনোৱা হৈছে।

যোৰহাট জিলাতো আজি বিয়লি ৪ বজাৰ পৰা মকড্ৰিল অনুষ্ঠিত হৈছে। জিলাখনত সন্ধিয়া ৭ বজাৰ পৰা ৭ বাজি ১০ মিনিটলৈ ব্লেকআউট অনুশীলন কৰা হ'ব।

এই অনুশীলনৰ সময়ছোৱাত বিমান আক্ৰমণৰ সময়ত ছাইৰেণ ব্যৱস্থাৰ সক্ৰিয়কৰণ, সাধাৰণ লোক বিশেষকৈ ছাত্ৰ-ছাত্ৰীৰ সুৰক্ষা নিশ্চিত কৰা, হঠাৎ নিষ্প্ৰদীপ বা ব্লেক আউট হ'লে কি ব্যৱস্থা গ্ৰহণ কৰা হ'ব সেই বিষয়ত সজাগ কৰা, আপাতকালীন পৰিস্থিতিত দ্ৰুত উদ্ধাৰ আৰু গুৰুত্বপূৰ্ণ কাৰখানা বা ঘাটিত নিৰাপত্তা নিশ্চিতকৰণ আদি বিষয়ত প্ৰশিক্ষণ দিয়া হয়।

০০০০০

সেনাবাহিনীয়ে পাকিস্তান আৰু পাকিস্তান অধীকৃত কাশ্মীৰৰ সন্ত্ৰাসবাদী ঘাটিত সফলতাৰে চলোৱা আক্ৰমণ সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰতিৰক্ষা বাহিনীক অভিনন্দন জ্ঞাপন

কৰে। তেওঁ কয় যে এই প্ৰত্যাহ্বানপূৰ্ণ পৰিস্থিতিত সমগ্ৰ ভাৰতবাসী এক হৈ থাকিব আৰু কোনো কাৰণতে দেশৰ স্বাভিমানক আঘাত হ'বলৈ দিয়া নহ'ব।

০০০০০

মধ্য আৰু নামনি অসমৰ ১৩ খন জিলাত পঞ্চায়ত নিৰ্বাচনৰ দ্বিতীয় তথা অন্তিম পৰ্যায়ৰ ভোটগ্ৰহণ শান্তিপূৰ্ণভাৱে সম্পন্ন হৈছে। পুৱা চাৰে ৭ বজাৰ পৰা অনুষ্ঠিত এই ভোটগ্ৰহণ বিয়লি চাৰে ৪ বজালৈ ধাৰ্য কৰা হৈছিল যদিও কোনো কোনো ভোটকেন্দ্ৰত এতিয়াও ভোটাৰৰ দীঘলীয়া শাৰী থকাৰ পৰিপ্ৰেক্ষিতত এতিয়াও ভোটদান চলি আছে।

ৰাজ্যিক নিৰ্বাচন আয়োগৰ সূত্ৰ অনুসৰি বিয়লি চাৰে ৩ বজালৈকে  নলবাৰী জিলাত ৫৯ দশমিক ৪-৫ শতাংশ, দক্ষিণ শালমাৰা জিলাত ৫৮ শতাংশ, গোৱালপাৰা জিলাত ৫৬ দশমিক ২-২ শতাংশ, বঙাইগাঁও জিলাত ৬২ দশমিক ৭-২ শতাংশ, বৰপেটা জিলাত ৬০ দশমিক ২-২ শতাংশ, বজালী জিলাত ৫৭ শতাংশ, কামৰূপ জিলাত ৫১ দশমিক ৩-৩ শতাংশ, কামৰূপ মহানগৰ জিলাত ৫৬ দশমিক ৮-৪ শতাংশ, হোজাই জিলাত ৫৭ দশমিক ৬-৫ শতাংশ, নগাঁও জিলাত ৫১ দশমিক ৭ শতাংশ, মৰিগাঁও জিলাত ৬০ দশমিক ১-৫ শতাংশ আৰু দৰং  জিলাত ৫৩ দশমিক ২-৫ শতাংশ ভোটদান হয়। ভোটদানৰ চূড়ান্ত হাৰ আজি নিশাৰ ভাগত ৰাজ্যিক নিৰ্বাচন আয়োগে প্ৰকাশ কৰাৰ সম্ভাৱনা আছে।

আজি ভোটগ্ৰহণ চলি থকাৰ মাজতে হোজাইৰ ধলপুখুৰী গাঁও পঞ্চায়তৰ ৫৬১ নম্বৰ ভোটকেন্দ্ৰত দায়িত্বত থকা প'লিং বিষয়া এজন হৃদৰোগত আক্ৰান্ত হোৱাত অসুস্থ বিষয়াজনক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। অৱশ্যে কিছু সময়ৰ বিৰতিৰ পাছত নতুন প'লিং বিষয়াই দায়িত্ব গ্ৰহণ কৰি ভোটগ্ৰহণ নিয়াৰিকৈ চলাই নিয়ে বুলি আমাৰ হোজাইৰ সংবাদদাতাই জনাইছে।

কামৰূপ জিলাৰ আমিনগাঁৱত আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই পঞ্চায়ত নিৰ্বাচনৰ ভোটদান কৰে। মন্ত্ৰী পীযূষ হাজৰিকাই মৰিগাঁও জিলাৰ আঁহতগুৰিৰ মৰাকলং এল পি স্কুলৰ ভোটকেন্দ্ৰত ভোটদান কৰে। নগাঁও জিলাৰ বেঙেনাআটি প্ৰাথমিক বিদ্যালয়ৰ ভোটকেন্দ্ৰত কংগ্ৰেছৰ সাংসদ প্ৰদ্যুৎ বৰদলৈয়ে নিজৰ ভোটাধিকাৰ সাব্যস্ত কৰে।

উল্লেখযোগ্য যে ৰাজ্যখনত যোৱা ২ মে'ত পঞ্চায়ত নিৰ্বাচনৰ প্ৰথম পৰ্যায়ত ১৪ খন জিলাত ৭০ দশমিক ১-৯ শতাংশ ভোটদান সম্পন্ন হৈছিল। অহা ১১ মে'ত পঞ্চায়ত নিৰ্বাচনৰ ভোটগণনা কৰা হ'ব।

০০০০০

শিলচৰৰ অসম বিশ্ববিদ্যালয়ৰ সমাজকৰ্ম বিভাগৰ সহকাৰী অধ্যাপক অজিত কুমাৰ জেনাক ছাত্ৰীক যৌন নিৰ্যাতনৰ অভিযোগত বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষই ৯০ দিনৰ বাবে সাময়িকভাৱে নিলম্বন কৰিছে। বিশ্ববিদ্যালয়খনৰ তিনিগৰাকী ছাত্ৰীয়ে অধ্যাপকজনৰ বিৰুদ্ধে লিখিত অভিযোগ দাখিল কৰাৰ পৰিপ্ৰেক্ষিতত কৰ্তৃপক্ষই তদন্তৰ আওঁতালৈ আনি আৰক্ষীৰ সৈতে সহযোগিতা কৰিবলৈ নিৰ্দেশ দিছিল। কিন্তু অধ্যাপক জেনাই আৰক্ষীৰ সৈতে সহযোগ নকৰা বুলি বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষই আমাৰ সংবাদদাতাক জানিবলৈ দিয়ে। বিশ্ববিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীয়ে অধ্যাপক জেনাৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰি পৰিস্থিতি জটিল কৰি তোলাত আজি বিশ্ববিদ্যালয়ৰ প্ৰশাসনিক ভৱনৰ চৌপাশে আৰক্ষী মোতায়েন কৰিবলগীয়া হয়।

০০০০০

কাছাৰ আৰক্ষীয়ে আজি জিলাখনৰ শালচাপৰা অঞ্চলৰ পৰা বুজন পৰিমাণৰ মাদক দ্ৰব্যসহ দুজন সৰবৰাহকাৰীক আটক কৰে। গোপন সূত্ৰৰ ভিত্তিত কালি বিয়লি আৰক্ষীয়ে অভিযান আৰম্ভ কৰি অঞ্চলটোত

এখন চাৰিচকীয়া বাহনত তালাচী চলায়। বাহনখনৰ পৰা ৮৪৭ গ্ৰাম হেৰ'ইন আৰু ৪ কিলোগ্ৰামৰো অধিক আফিং জব্দ কৰাৰ লগতে দুজন সৰবৰাহকাৰীক আটক কৰে। কাচাৰ জিলা আৰক্ষীৰ অধীক্ষক নোমল মাহাট্টাই আমাৰ সংবাদদাতাৰ আগত প্ৰকাশ কৰা মতে নিচাজাতীয় সামগ্ৰীখিনিৰ বজাৰ মূল্য প্ৰায় চাৰে চাৰি কোটি টকা। মণিপুৰৰ চূড়াচান্দপুৰৰ পৰা এই মাদকদ্ৰব্যসমূহ অনা হৈছিল বুলি আৰক্ষী অধীক্ষকগৰাকীয়ে প্ৰকাশ কৰিছে।

ooooo

সমাপ্ত